# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-09-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

১। অহা দেওবাৰৰ পৰা বিভিন্ন পৰ্যায়ত হবলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা স্বচ্ছভাৱে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। ৰাজ্যত তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ কাম-কাজ অক্টোবৰ মাহত আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৩। অসম মাধ্যমিক শিক্ষা পৰিষদ আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদক একত্ৰিত কৰি ৰাজ্য চৰকাৰৰ অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ গঠন।

৪। ৰাজ্যজুৰি বিশ্ব বৰেণ্য শিল্পী ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ আজি ৯৯ সংখ্যক জন্মদিন উদ্‌যাপন। *আৰু*

৫। পেৰিছ্ পেৰালিম্পিকৰ আজি নিশা সামৰণি। ভাৰতৰ ৭ টা সোণ, ৯ টা ৰূপ, ১৩ টা ব্ৰঞ্জসহ ২৯ টা পদক লাভ।

০০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা অহা দেওবাৰৰ পৰা বিভিন্ন পৰ্যায়ৰ বাবে আৰম্ভ হব। স্বচ্ছ আৰু নিকাকৈ এই পৰীক্ষা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ইতিমধ্যে ৰাজহুৱা পৰীক্ষাত অসাধু কাৰ্যকলাপ প্ৰতিৰোধৰ বাবে বিধানসভাত এখন বিধেয়কো গৃহীত হৈছে। সকলোকে নেতিবাচক কামৰ পৰা আঁতৰি সুকলমে পৰীক্ষা অনুষ্ঠিত কৰাত সহযোগ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে। ধেমাজি জিলা আৰক্ষীয়ে পৰীক্ষাৰ্থীৰ সুবিধা হোৱাকৈ হেল্পলাইন নম্বৰ মুকলি কৰিছে। নম্বৰ দুটা হৈছে ০৩৭৫ ৩২২৪০৪০ আৰু ৬০২৬৯ ০০৩৫৬। ধেমাজি জিলাৰ লগতে অন্য জিলাৰ পৰীক্ষাৰ্থীসকলেও এই হেল্পলাইন নম্বৰ ব্যৱহাৰ কৰিব পাৰিব।

০০০০০০০

ৰাজ্যত তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ কাম-কাজ অক্টোবৰৰ পৰা আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত ৰাজহ বিভাগৰ এখন কৰ্মশালাত এই কথা ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা মতে প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত থাকি যোৱা আবেদনকাৰীসকলৰ আবেদন তৃতীয় পৰ্যায়ত পৰীক্ষণ কৰা হ'ব। তদুপৰি তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত সামাজিক সংস্থা, শিক্ষানুষ্ঠান, দেৱোত্তৰ বৰ্ডৰ ভূমি ম্যাদী পট্টাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ কাম নিৰ্দিষ্ট সময়সীমাত আবদ্ধ হৈ নাথাকে। শেষৰখন আবেদন নিষ্পত্তি নোহোৱালৈকে তৃতীয় পৰ্যায়ৰ কাম অব্যাহত থাকিব। ভূমি সম্পৰ্কীয় সকলো কাম ৰাজ্য চৰকাৰে গুৱাহাটীৰ পৰাই তদাৰক কৰিব বুলিও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। উল্লেখযোগ্য যে শংকৰদেৱ কলাক্ষেত্ৰত দুদিনীয়া কাৰ্যসূচীৰে শনিবাৰৰ পৰা মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ কাম-কাজক লৈ বিশেষ কৰ্মশালা অনুষ্ঠিত হৈছে। আজি দ্বিতীয়দিনাৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে ৰাজহ মন্ত্ৰী যোগেন মহনে কৰ্মশালাত অংশগ্ৰহণ কৰি বিভাগীয় কাম-কাজৰ সন্দৰ্ভত নীতি-নিৰ্দেশনা স্পষ্ট কৰি দিয়ে। এই অনুষ্ঠানত ৰাজহ বিভাগৰ শীৰ্ষ বিষয়াৰ লগতে প্ৰতিখন জিলাৰ আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তৰ উপৰি চক্ৰ বিষয়াসকল উপস্থিত থাকে। জিলা আয়ুক্তসকলে মিছন বসুন্ধৰা ৰূপায়ণৰ ক্ষেত্ৰত সততে সন্মুখীন হোৱা সমস্যাসমূহ বিভাগীয় শীৰ্ষ আমোলা বিষয়াক অৱগত কৰে।

০০০০০০০০

ৰাজ্য চৰকাৰে অসম মাধ্যমিক শিক্ষা পৰিষদ আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ একত্ৰিত কৰি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ গঠন কৰিছে। এই পৰিষদৰ অধ্যক্ষ হিচাপে ভাৰতীয় প্ৰশাসনীয় সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া আৰ চি জৈনক মনোনীত কৰা হৈছে। আনহাতে, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ বৰ্তমানৰ অধ্যক্ষ ৰুক্ম গোহাঁই বৰুৱাক উপাধ্যক্ষ হিচাপে নিযুক্তি দিছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে কেবিনেট বৈঠকত অসম মাধ্যমিক শিক্ষা পৰিষদ আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদক একত্ৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

০০০০০০০

ৰাজ্যত তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ কাম-কাজ অক্টোবৰ মাহৰ পৰা আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত ৰাজহ বিভাগৰ এখন কৰ্মশালাত এই কথা ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা মতে প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত থাকি যোৱা আবেদনকাৰীসকলৰ আবেদন তৃতীয় পৰ্যায়ত পৰীক্ষণ কৰা হ'ব। তদুপৰি তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত সামাজিক সংস্থা, শিক্ষানুষ্ঠান, দেৱোত্তৰ বৰ্ডৰ ভূমি ম্যাদী পট্টাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ কাম নিৰ্দিষ্ট সময়সীমাত আবদ্ধ হৈ নাথাকে। শেষৰখন আবেদন নিষ্পত্তি নোহোৱালৈকে তৃতীয় পৰ্যায়ৰ কাম অব্যাহত থাকিব। ভূমি সম্পৰ্কীয় সকলো কাম ৰাজ্য চৰকাৰে গুৱাহাটীৰ পৰাই তদাৰক কৰিব বুলিও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। উল্লেখযোগ্য যে শংকৰদেৱ কলাক্ষেত্ৰত দুদিনীয়া কাৰ্যসূচীৰে শনিবাৰৰ পৰা মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ কাম-কাজক লৈ বিশেষ কৰ্মশালা অনুষ্ঠিত হৈছে। আজি দ্বিতীয়দিনাৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে ৰাজহ মন্ত্ৰী যোগেন মহনে কৰ্মশালাত অংশগ্ৰহণ কৰি বিভাগীয় কাম-কাজৰ সন্দৰ্ভত নীতি-নিৰ্দেশনা স্পষ্ট কৰি দিয়ে। এই অনুষ্ঠানত ৰাজহ বিভাগৰ শীৰ্ষ বিষয়াৰ লগতে প্ৰতিখন জিলাৰ আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তৰ উপৰি চক্ৰ বিষয়াসকল উপস্থিত থাকে। জিলা আয়ুক্তসকলে মিছন বসুন্ধৰা ৰূপায়ণৰ ক্ষেত্ৰত সততে সন্মুখীন হোৱা সমস্যাসমূহ বিভাগীয় শীৰ্ষ আমোলা বিষয়াক অৱগত কৰে।

০০০০০০০০

বিশ্ব বৰেণ্য শিল্পী ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ আজি ৯৯ সংখ্যক জন্মদিন। মানৱতাৰ জয়গান গোৱা তেজস্বী কণ্ঠৰ অধিকাৰী শিল্পীগৰাকীৰ সংগীতে অসমৰ লগতে দেশে-বিদেশৰ অগণন জনতাক আজিও মুগ্ধ কৰি ৰাখিছে।

কিংবদন্তী শিল্পীগৰাকীয়ে গায়ক, সুৰকাৰ, গীতিকাৰ আৰু সংগীত পৰিচালক হিচাপে অসমীয়াৰ উপৰি বঙালী, হিন্দী, ইংৰাজী আৰু অন্য ভাৰতীয় ভাষাৰ গীততো কণ্ঠদান কৰিছিল। ড° হাজৰিকাই সমকালীন সমাজৰ সংস্কৃতি, জীৱন প্ৰৱাহ, ৰাজনীতি, দুৰ্নীতি, মানৱ জীৱনৰ প্ৰেম-ভালপোৱা, অনুৰাগকে ধৰি প্ৰতিটো আৱেগক অনন্য ৰূপত মূৰ্ত কৰি তুলিছিল। শিল্পীগৰাকীৰ কায়িকভাৱে অবৰ্তমানতো এতিয়াও তেওঁৰ সৃজনীৰাজি বিশ্বৰ সন্মুখত অসমৰ বাবে এখন সম্ভ্ৰান্ত দুৱাৰ স্বৰূপ হৈ আছে। শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে আজি ৰাজ্যজুৰি জনসাধাৰণে শ্ৰদ্ধা তৰ্পণ কৰাৰ লগতে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰে।

এই উপলক্ষে আজি পুৱা সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ড° ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানৰ সহযোগত জালুকবাৰীৰ সমাধিস্থলীত স্মৃতি তৰ্পণ কৰা হয়। এই অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই বৰেণ্য শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰি কয় যে ড° হাজৰিকাৰ সৃষ্টিৰাজিয়ে সদায়ে গণজীৱনক সমৃদ্ধ কৰি আহিছে। তেওঁৰ জীৱন বোধত নিহিত হৈ থকা সমলসমূহক লৈ অধিক চিন্তা-চৰ্চা আৰু গৱেষণাৰ থল আছে বুলিও শ্ৰী বৰাই কয়। শিল্পীগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি আজি সমাধিস্থলীত সৰ্বধৰ্ম প্ৰাৰ্থনাৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত শিল্পী কমল কটকী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপিকা ড° ভাৰতী ভড়ালীয়ে ভাষণ দিয়ে।

আনহাতে, শিল্পীগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে

সমন্বয় দিৱস অনুষ্ঠিত হৈছে। আজি পুৱাৰ ভাগত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে দিৱসৰ মূল পতাকা উত্তোলন কৰাৰ সমান্তৰালভাৱে ভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলে ৯৯ খন পতাকা উত্তোলন কৰে। সদৌ অসম ছাত্ৰ সন্থায়েও শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে দীঘলীপুখুৰী পাৰত 'উদ্দীপনা' শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। দীঘলীপুখুৰী পাৰত থকা ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিস্থলীত সন্ধিয়া ৬ বজাৰ পৰা এই অনুষ্ঠানৰ আয়োজন কৰা হয়। অসম সাহিত্য সভাইও গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰত সাহিত্যসভাৰ প্ৰশাসনীয় কাৰ্যালয়ৰ চৌহদত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। শোণিতপুৰ জিলা প্ৰশাসন আৰু সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'চাতক'ৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে শিল্পগৰাকীৰ জন্মদিন পালন কৰা হয়। গোলাঘাট জিলাতো আজি ড° ভূপেন হাজৰিকাৰ জন্মদিনৰ সৈতে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। শিৱসাগৰতো আজি দিখৌপৰীয়া সন্মিলিত যুৱ সংঘ আৰু শিৱসাগৰ প্ৰেছ ক্লাবে যুটীয়াভাৱে শিল্পীগৰাকীৰ জন্মদিনৰ কাৰ্যসূচী গ্ৰহণ কৰে। নগাঁও জিলাৰ বিভিন্ন অঞ্চলত আজি কিংবদন্তী শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। ইপিনে, চিৰাং জিলাত বিজনী মহকুমা ভাৰত ৰত্ন ড° ভূপেন হাজৰিকা স্মৃতিৰক্ষা সমিতিৰ উদ্যোগত আৰু বিজনী লেখিকা সমাৰোহৰ শাখা সমিতিৰ সহযোগত শিল্পীগৰাকীৰ জন্মদিন উদযাপন কৰা হয়। কোকৰাঝাৰ আৰু ধুবুৰী জিলাতো আজি এই উপলক্ষে দিনজোৰা কাৰ্যসূচী গ্ৰহণ কৰা হয়। ৰাজ্যৰ অন্যান্য জিলাসমূহতো আজি অগণন লোকে বিশ্ববৰেণ্য শিল্পীগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰে। এইগৰাকী শিল্পীয়ে গীতেৰে-কথাৰে, প্ৰমূল্যৰে দিয়া মানৱতাৰ বাণী ভৱিষ্যত প্ৰজন্মৰ বাবে পাথেয় হৈ ৰ'ব।

০০০০০০০

ট্ৰেডিঙৰ নামৰ সাধাৰণ ৰাইজৰ ধন লুণ্ঠনৰ গোচৰত অপৰাধ অনুসন্ধান বিভাগে কালি বিশ্বনাথ জিলাৰ গহপুৰৰ পৰা দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। অসম আৰক্ষীয়ে এটা বিবৃতিত প্ৰকাশ কৰিছে যে, এই দুই অভিযুক্তৰ বিৰুদ্ধে অপৰাধ অনুসন্ধান বিভাগে ইতিমধ্যে ভাৰতীয় ন্যায় সংহিতাৰ ভিন্ন ধাৰাৰ অধীনত গোচৰ ৰুজু কৰিছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অনলাইন ট্ৰেডিং সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰা হব বুলি প্ৰকাশ কৰাৰ পাছত এই ধৰণৰ গোচৰৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিত ডিব্ৰুগড়ৰ অতিৰিক্ত আৰক্ষী অধীক্ষক স্বেজাল আগৰৱালা অন্তৰ্ভুক্ত কৰিছে। অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ মহাপৰিদৰ্শক সংযুক্তা পৰাশৰ নেতৃতত্বত গঠিত এছ আই টিৰ দলটোৰ ৭ জন বিষয়াই এই গোচৰৰ তদন্ত কৰিব।

০০০০০০০

বজালী জিলাৰ পাঠশালাত আজি ভাৰতীয় জনতা পাৰ্টীৰ সদস্য ভৰ্তি অভিযান অনুষ্ঠিত হয়। এই কাৰ্যসূচীত অসম প্ৰদেশ বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাস আৰু মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকে। এই অনুষ্ঠানত সহস্ৰাধিক লোকে আনুষ্ঠানিকভাৱে দলটোত যোগ দিয়ে। অনুষ্ঠানত মন্ত্ৰী দাসে কয় যে দলৰ এই অভিযানত পুৰণি সকলো সদস্যই পুনৰ পঞ্জীয়ন কৰিব লাগিব। সমগ্ৰ দেশত এই অভিযানৰ অধীনত ১৯ কোটি সদস্য ভৰ্তিৰ লক্ষ্য লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

চৰাইদেউ জিলাৰ মথুৰাপুৰ গ্ৰাম্য ক্ৰীড়া প্ৰকল্প খেলপথাৰত আজি অসম প্ৰদেশ কংগ্ৰেছৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। অসম প্ৰদেশ কংগ্ৰেছৰ মুঠ ৩৮০ জন বিষয়ববীয়া উপস্থিত থকা এই সভাত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিঙকে ধৰি সাংসদ গৌৰৱ গগৈ, প্ৰদ্যুৎ বৰদলৈ, ৰকিবুল হুছেইন আৰু সভাপতি ভূপেন বৰা তথা বিৰোধী দলৰ দলপতি দেবব্ৰত শইকীয়া আদিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে এখন সংবাদমেলত কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰিপুণ বৰাই আজি পুনৰ কংগ্ৰেছ দলত যোগদান কৰে।

০০০০০০০

পেৰিছ পেৰালিম্পিকৰ আজি নিশা সামৰণি পৰিব। ভাৰতে এইবাৰৰ সংস্কৰণত ৭ টা সোণ, ৯ টা ৰূপ আৰু ১৩ টা ব্ৰঞ্জসহ মুঠ ২৯ টা পদকেৰে ষষ্ঠদশ স্থান লাভ কৰিছে। পেৰা অলিম্পিকৰ ইতিহাসত এয়া ভাৰতৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন। আৰ্চ্চাৰিত সোণৰ পদক অৰ্জন কৰা হৰবিন্দৰ সিং আৰু দৌৰবিদ প্ৰীতি পালে সামৰণি অনুষ্ঠানত দেশৰ পতাকা বহন কৰিব। উল্লেখযোগ্য যে কালি দশম দিনা ভাৰতৰ হৈ নৱ্দীপ সিঙে পুৰুষৰ জেভলিন থ্ৰ'ৰ এফ-41 শিতানত সোণৰ পদক অৰ্জন কৰে। এই শিতানত অনুচিত আচৰণৰ বাবে ইৰাণৰ খেলুৱৈগৰাকীক অযোগ্য ঘোষণা কৰাৰ পাছত নৱ্দীপে প্ৰথম স্থান লাভ কৰে। আনহাতে দৌৰবিদ চিমৰনে মহিলাৰ ২০০ মিটাৰ ট্ৰেক শিতানত ব্ৰঞ্জৰ পদক লাভ কৰে।

oooooooo

গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কনকলতা ইন্দোৰ ষ্টেডিয়ামত চলি থকা ৰাষ্ট্ৰীয় পৰ্যায়ৰ য়'নেক্স চানৰাইজ উত্তৰ পূৱ মণ্ডল আন্তঃৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতাত অসমৰ মহিলা দলৰ লগতে জুনিয়ৰ ল'ৰা আৰু ছোৱালী দলেও ফাইনেলত প্ৰৱেশ কৰিছে। অসম বেডমিণ্টন সন্থাই আয়োজন কৰা এই প্ৰতিযোগিতাখনৰ দলীয় শাখাৰ ছেমিফাইনেলত অসমৰ মহিলা দলটোৱে নাগালেণ্ডক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰে। ইফালে, জুনিয়ৰ শাখাত অসমৰ ল'ৰা আৰু ছোৱালী উভয় দলে অৰুণাচলৰ দল দুটাক পৰাস্ত কৰে। খিতাপৰ বাবে দুয়োটা দলে মিজোৰামৰ ল'ৰা আৰু ছোৱালীৰ দল দুটাৰ বিৰুদ্ধে খেলিব।

oooooooo

অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে গঠিত সমিতিয়ে দিয়া পৰামৰ্শৰ ভিতৰত ৫২ টা পৰামৰ্শ অহাবছৰৰ ১৫ এপ্ৰিলৰ ভিতৰত কাৰ্যকৰী কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ, অসম কেবিনেটত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ, অসমত ৰে'লপথ বৈদ্যুতিকীকৰণৰ কাম ৬৫ শতাংশ সম্পূৰ্ণ হৈছে বুলি ৰে'ল বিভাগৰ তথ্য প্ৰদানকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বত গঠিত সমিতিয়ে দিয়া পৰামৰ্শৰ ভিতৰত ৫২ টা পৰামৰ্শ অহাবছৰৰ ১৫ এপ্ৰিলৰ ভিতৰত কাৰ্যকৰী কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালিৰ এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে সমিতিয়ে দিয়া ৬৭ টা পৰামৰ্শৰ ভিতৰত ৫টা প্ৰক্ৰিয়াগত হিচাপে বিবেচনা কৰা হৈছে। আনহাতে, কেইটামান পৰামৰ্শ কাৰ্যকৰী কৰাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰ উভয়েৰে সহমতৰ প্ৰয়োজন। এনেধৰণৰ কেইটামান পৰামৰ্শ ৰূপায়ণৰ বাবে সংবিধান সংশোধনৰো প্ৰয়োজন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ইফালে, ৰাজ্যখনৰ পৰা অবৈধ অনুপ্ৰৱেশকাৰীক বহিষ্কাৰ কৰিবলৈ চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰৰ সংস্থাসমূহৰ সৈতে সু-সমন্বয় ৰক্ষা, অতিৰিক্ত সুৰক্ষা কৰ্মী মোতায়েন আৰু তদাৰকী ব্যৱস্থা শক্তিশালীকৰণকে ধৰি চৰকাৰে এলানি গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি নিৰ্দেশনা জাৰি কৰিছে। ইয়াৰ দ্বাৰা বিদেশী নাগৰিকক চিনাক্তকৰণ প্ৰক্ৰিয়া দ্ৰুত আৰু ত্বৰান্বিত কৰি তোলা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ মৰ্মে পূৰ্বে আবণ্টন বন্ধ হৈ থকা ৯ লাখ ৫৫ হাজাৰ আধাৰ আবণ্টনৰ ব্যৱস্থা কৰা হৈছে যদিও ধুবুৰী-গোৱালপাৰাকে ধৰি ৰাজ্যৰ কেইবাখনো জিলাত জনসংখ্যাতকৈ অধিক আধাৰ কাৰ্ড জাৰি হৈছে আৰু ইয়াৰ পৰা কাৰ্ড লাভ কৰাসকলৰ ভিতৰত বিদেশী নাগৰিক থকা বুলি সন্দেহ ঘণীভূত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে ২০১৪ চনত অৰ্থাৎ প্ৰাৰম্ভিক অৱস্থাতে এন আৰ চি ত নাম পঞ্জীয়নৰ বাবে আবেদন কৰা লোকসকলেহে আধাৰ কাৰ্ড লাভ কৰিব পাৰিব বুলি ১০ দিনৰ ভিতৰত নিৰ্দেশ জাৰি কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ৰাজ্য চৰকাৰৰ কোনো কৰ্মচাৰীৰ দুৰ্ঘটনাজনিত কাৰণত মৃত্যু হ'লে নাইবা দুৰ্ঘটনাৰ ফলত সম্পূৰ্ণৰূপে শাৰিৰীক অক্ষম হৈ পৰিলে ১ কোটি টকা বীমা প্ৰিমিয়াম হিচাপে আগবঢ়াবলৈ ভাৰতীয় ষ্টেট বেংক আৰু অন্য বেংকসমূহৰ সৈতে চৰকাৰে চুক্তি স্বাক্ষৰ কৰিব। যোৱা ৪ ছেপ্তেম্বৰত লখিমপুৰত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই বিষয়ে

সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৈঠকৰ পাছত এখন সংবাদমেলত প্ৰকাশ কৰে। আনহাতে, দুৰ্ঘটনাৰ ফলত আংশিকভাৱে শাৰিৰীক অক্ষম হৈ পৰিলে ৮০ লাখ টকাৰ বীমা প্ৰিমিয়াম আগবঢ়োৱা হ'ব। ৰোগত আক্ৰান্ত হৈ কোনো চৰকাৰী চাকৰিয়ালৰ মৃত্যু হ'লে পূৰ্বে লাভ কৰা চিকিৎসা সুবিধাসমূহৰ বাহিৰেও অতিৰিক্ত ১০ লাখ টকাৰ জীৱন বীমা প্ৰিমিয়াম লাভ কৰিব বুলি তেওঁ কয়। ইয়াৰ ফলত কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালসমূহৰ জীৱন পূৰ্বতকৈ সুৰক্ষিত হ'ব বুলি তেওঁ মন্তব্য কৰে। কেবিনেটে অহা ২ অক্টোবৰত ৰাজ্যৰ ৩৯ খন সম জিলা গঢ়ি তুলিব বুলি সিদ্ধান্ত গ্ৰহণ কৰে।

অসমত ৰে'লপথ বৈদ্যুতিকীকৰণৰ কাম ৬৫ শতাংশ সম্পূৰ্ণ হৈছে আৰু অহা বছৰৰ ভিতৰত নিৰ্ধাৰিত লক্ষ্য অনুসৰি ১০০ শতাংশই সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই কালি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৰে'লপথ বৈদ্যুতিকীকৰণৰ ফলত ইন্ধন ৰাহি হোৱাৰ লগতে ৰে'ল যাত্ৰা দ্ৰুত হৈ উঠিব। বৈদ্যুতিক ইঞ্জিনৰ কাৰ্যক্ষমতা অধিক হোৱাৰ ফলত ৰে'লযাত্ৰা সুচল হোৱাৰ উপৰি বিত্তীয় ক্ষেত্ৰতো ৰাহি হ'ব বুলি তেওঁ কয়। একেদৰে ৰাজ্যখনৰ বিভিন্ন অঞ্চলত ৰে'ল পথ দ্বৈতকৰণৰ কাম অব্যাহত আছে বুলি তেওঁ জানিবলৈ দিয়ে। ইপিনে, ৰে'ল দুৰ্ঘটনা হ্ৰাস কৰাৰ লগতে ৰে'লৰ খুন্দাত হাতীৰ মৃত্যু হোৱাৰ ঘটনা ৰোধ কৰাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগ কৰি অপ্টিকেল ফাইবাৰৰ সহায়ত ব্যৱস্থা গ্ৰহণ কৰাৰ ফলত এনে দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস পাইছে বুলি তেওঁ জানিবলৈ দিয়ে। উত্তৰ-পূৰ্বাঞ্চলত ৰে'লপথ নিৰ্মাণৰ কাম প্ৰায় অৰ্ধেক সম্পন্ন হৈছে আৰু ২০২৮ চনৰ ভিতৰত অঞ্চলটোত ৰে'ল যাতায়াত সুচল হৈ উঠিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০০০০

ৰাজ্য চৰকাৰে পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি এক লাখ নিযুক্তি অতিক্ৰম কৰিছে। যোৱা ২ ছেপ্তেম্বৰত খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত ২৩ হাজাৰ ৯৫৬ গৰাকী উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক নিয়মীয়া পদৰ নিযুক্তি পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। অহা বছৰ আৰু ৫০ হাজাৰ নিযুক্তি প্ৰদানৰ বাবে চৰকাৰে লক্ষ্য লৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

দেশৰ বিভিন্ন অংশৰ লগতে অসমতো মহিলা আৰু শিশু বিভাগৰ উদ্যোগত ৰাষ্ট্ৰীয় পোষণ মাহৰ লগত সংগতি ৰাখি ১ ছেপ্তেম্বৰত ৰাজ্যিক পোষণ মাহৰ কাৰ্যসূচী আৰম্ভ হয়। শিশু, কিশোৰ, কিশোৰী, মাতৃ তথা গৰ্ভৱতী মহিলাৰ পুষ্টিহীনতা ৰোধৰ উদ্দেশ্যেৰে এই মাহ পালনৰ ব্যৱস্থা কৰা হৈছে। এই উপলক্ষে ঠায়ে ঠায়ে এক পেৰ মা কে নাম শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰীয়ে মাতৃৰ নামত একোটাকৈ গছপুলি ৰোপণৰ বাবে জনোৱা আহ্বান অনুসৰি এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ২ ছেপ্তেম্বৰত মৰিগাঁৱৰৰ তৰুণৰাম ফুকন খেলপথাৰত ৰাজ্যিক পোষণ মাহৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়।

উল্লেখযোগ্য যে, কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে ১ ছেপ্তেম্বৰত গুজৰাটৰ গান্ধীনগৰত সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহৰ ৰাষ্ট্ৰজোৱা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

ঠগ, প্ৰৱঞ্চনাৰ বলি নহ'বলৈ ৰাজ্যবাসীক ৰিজাৰ্ভ বেংকৰ দ্বাৰা অনুমোদিত প্ৰতিষ্ঠানতহে ধন জমা থ'বলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে। অনলাইন ট্ৰেডিং প্ৰৱঞ্চনা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ জনসাধাৰণক এই সন্দৰ্ভত সজাগ হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে, আৰ বি আইৰ অনুমোদন অবিহনে কোনো লেনদেন কৰিব পৰা নাযায়। ৰিজাৰ্ভ বেংকৰ নিয়ম উলংঘা কৰা সকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। প্ৰয়োজন হ'লে এই সন্দৰ্ভত বিশেষ টাস্ক ফৰ্চ গঠন কৰা হ'ব বুলিও তেওঁ কয়।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা মুখ্য বাতৰিসমূহত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**